# মানসী গগৈৰ কবিতা

*Issue: Vol. V, No. 2, August-October, 2026*

**প্ৰাণত নক্ষত্ৰ উদ্যান**

আমাৰ দ্বাৰ
তেওঁলোকে ভেটি ধৰিছিল সবৰিমালাত
যাক আমি ঔৰসত লালন কৰোঁ

যাক প্ৰাণ দি তেজ দি জীয়াবলৈ
জয় কৰোঁ ভয়
যন্ত্ৰণাক ভিক্ষা খোজোঁ জীৱন

পথইতঙত বান্ধি নিয়া
আগলি কলাপাত, এটি গুৱাপাণ এটি অৰিহণা
বাটচ'ৰাতে থওঁ আগচি ধৰে আমাৰ বাট,
তেওঁলোকে বৰপেটাৰ কীৰ্তন ঘৰত
যাক আমি বুকুৰ শুকুলা তেজ পান কৰাওঁ
স্নেহৰ হাতেৰে গা-মূৰ মোহাৰি নিচুকনি গাই গাই শুৱাওঁ

তেওঁলোকক জন্ম দিয়াটো আমাৰ সপোন
আমি উৎকণ্ঠা হেঁপাহেৰে বাট চাওঁ—
'এইবাৰ ল'ৰা এটা হ'লে ভাল হয়' দেহজুৰি উম দিওঁ।
ডাঙৰ কৰোঁ ঘনাই সাৰ পাই পাই
সুখী হওঁ ডাঙৰ হোৱা চাই চাই

কিন্তু তেওঁলোকে ধৰ্ষণ কৰে আমাৰ সত্তাক

কেনেকৈ খোজ কাঢ়িম
কেনেকৈ পিন্ধিম কাপোৰ
কেনেকৈ হাঁহিম
কেনেকৈ কথা ক'ম
ক'লৈ যাম ক'লৈ নাযাম,
কোন সময়ত যাম
কি খাম
তাৰ নিয়ম গঢ়ে
আমালৈ জন্ম হয় মনু
আমালৈ লিখে লক্ষ্মী চৰিত

কাটি-ছিঙি আমাৰ দেহ মন
তেওঁলোক হ'ব বিচাৰে গছ
আৰু বিচাৰে চিৰদিন আমি লতা হৈ থকাটো
আমাৰ সংস্কৃতিৰে তেওঁলোক হ'ব বিচাৰে উজ্জ্বল, ওখ

মানুহ আমিও শিকলি ছিঙা দুহাত, প্ৰাণত নক্ষত্ৰ উদ্যান

নিভৃত কোণত জিৰাবলৈ নিৰ্জনতাৰ গুণ গুণ গান।।

## মানুহ বিষয়ক

হৈ চৈ কোলাহল
সিন্ধি দিয়া বাটেৰে কোনোমতে সৰকি আহিছোঁ
সময় আছেনে
আজলি পাতি ল'বলৈ উচুপনি
নিশাৰ চৰাইৰ মাতৰ বিষাদ

একে শৰীল লৈ সপোন দেখা মানুহবোৰ
এন্ধাৰত ডুবিছে থহি পৰিছে পোহৰত

মানুহ মানে
ব্ৰেণ্ডেড সামগ্ৰীৰে জীৱন সজোৱা মানুহ
নৱজাতকক ডাষ্টবিনত পেলোৱা মানুহ
জননীক বাটৰ ভিক্ষাৰী হ'বলৈ এৰি দিয়া মানুহ
হৃদয়ৱান মানুহ
ঠগি খোৱা মানুহ
ঠগ খোৱা মানুহ
ভাত বিচাৰি দেশ এৰি অহা মানুহ যুগ যুগ ধৰি
শোষিত বঞ্চিত মানুহৰ নিৰন্ন ৰুগ্ন শিশু মানুহ

জুয়ে পোৰা বানে গৰকা গাঁৱত সভা পাতিবলৈ
আকাশীযানত অহা মানুহ
গামোচা পিন্ধোৱা মানুহ
গামোচা পিন্ধা মানুহ

কঠিয়া টোমাই থকা
মানুহৰ সুখ কাঢ়ি
মালা পিন্ধোৱা মানুহৰ কথা
অংক মিলোৱা মানুহৰ কমিচন

শৰদেহ এটাৰ পৰা উঠি অহা
ময়ো মানুহ মানুহ হ'বলৈ মৰোঁ

ভাগ্যত একোৰে নাই বুলি তেওঁলোকে হাঁহে
তেওঁলোকে নাজানে আচলতে ভাগ্যকহে মাৰোঁ।